২৪ মে, ২০২৫, নিয়মীয়া বাৰ্তা

# যোৰহাট মহাবিদ্যালয়ত বিশ্ব চাহ দিৱস উদ্‌যাপন

যোৰহাট, ২৩ মে' ঃ যোৰহাট মহাবিদ্যালয়ৰ ইতিহাস বিভাগে আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ (IQAC) আৰু কুইজ আৰু ঐতিহ্য ক্লাবৰ সহযোগত ২১ মে'ত আন্তৰ্জাতিক চাহ দিৱস-২০২৫ উদ্‌যাপন কৰা হয়।এই অনুষ্ঠানত ভাৰতৰ চাহ উদ্যোগৰ ঐতিহ্য আৰু সাংস্কৃতিক গুৰুত্ব, এইক্ষেত্ৰত অসমৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠান উদ্বোধন কৰি যোৰহাট মহাবিদ্যালয়ৰ IQACৰ সমন্বয়ক ড° গীতাৰ্থ গোস্বামীয়ে ভাৰতৰ চাহ উদ্যোগৰ ২০০ বছৰীয়া ইতিহাসৰ ওপৰত চমু আলোকপাত কৰে। তেওঁ চাহ উদ্যোগৰ ৰাষ্ট্ৰীয় অৰ্থনীতি, ইয়াৰ বিশ্বব্যাপী অৱদানৰ বিষয়ে উল্লেখ কৰে। ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ৰক্তিমজ্যোতি হাজৰিকাই চাহ উদ্যোগৰ বহুমাত্ৰিক (Multi dimensional) দিশৰ ওপৰত এক আকৰ্ষণীয় ভাষণ প্ৰদান কৰে। তেওঁ চাহক অসম আৰু ভাৰতৰ 'প্ৰকৃত হীৰা' বুলি অভিহিত কৰি কয় যে ১৮২৩ চনত অসমৰ জংঘলত চাহৰ আৱিষ্কাৰে এই অঞ্চলক বিশ্ব দৰবাৰত তুলি ধৰিছিল। সম্প্ৰতি অসমৰ খাদ্য ইতিহাসৰ ওপৰত পিএইচডি কৰি থকা ১০ পৃষ্ঠাত

# যোৰহাট মহাবিদ্যালয়ত বিশ্ব

হাজৰিকাই চাহকেন্দ্ৰিক শৈক্ষিক আলোচনাৰ বিষয়বস্তু কেৱল চাহ বাগিচাৰ মালিক আৰু চাহ শ্ৰমিকৰ মাজৰ সম্পৰ্কত সীমাবদ্ধ নকৰি পৰা চাহ উদ্যোগৰ স্থায়িত্ব, সাংস্কৃতিক প্ৰভাৱৰ দৰে বহুল বিষয়ত গুৰুত্ব আৰোপ কৰাৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে চাহমেল আৰু চাহ দোকানৰ উত্থানে কিদৰে ভাৰতৰ খাদ্য সংস্কৃতি আৰু ৰাজহুৱা ক্ষেত্ৰখনক প্ৰভাৱান্বিত কৰিলে এই সম্পৰ্কে আলোকপাত কৰে। তদুপৰি কুইজ আৰু ঐতিহ্য ক্লাবৰ ছাত্ৰ-ছাত্ৰীসকলে অসম আৰু ভাৰতৰ ঔপনিৱেশিক যুগৰ চাহ কোম্পানীৰ পুৰণি বিজ্ঞাপনৰ সংগ্ৰহ প্ৰদৰ্শন কৰি অনুষ্ঠানটোক সমৃদ্ধ কৰি তোলে। ভৱিষ্যতৰ শৈক্ষিক পদক্ষেপৰ দিশত দৃষ্টি আৰোপ কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে ঘোষণা কৰে যে যোৰহাট মহাবিদ্যালয়ে চাহ উদ্যোগৰ ইতিহাস, সংস্কৃতি আৰু স্থায়িত্বৰ দিশৰ ওপৰত ব্যাপক গৱেষণাৰ এটি কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা কৰিছে।